# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI

0000000000

**Date :** 07-03-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাত ভালেমান পৰিস্থিতিক দুৰ্যোগ হিচাপে স্বীকৃতি দিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি বিধানসভাত বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। শ্ৰী মহন্তই কয়, যে ভূমিকম্প, বান, গৰা খহনীয়া, ভূমিস্থলন, খৰাং, ঘূৰ্ণী বতাহ আৰু ধুমুহা, গ্ৰীষ্প প্ৰৱাহ, বিজুলী ঢেৰেকণি আৰু বজ্ৰপাত, বনজুই, জৈৱিক আৰু জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা, ৰাসায়নিক, পাৰমাণৱিক আৰু ৰেডিঅ’ল’জিকেল জৰুৰীকালীন অৱস্থাক এই দুৰ্যোগৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। বানকে ধৰি অন্যান্য প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৬ লাখ ৮৭ হাজাৰ ৫৬২ গৰাকী হিতাধিকাৰীলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ অধীনত ৩৫৬ কোটি ৫৬ লাখ টকা মোকলাই দিয়া হৈছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ অধীনত ৰাজ্যত বৰ্তমান ৩৩৯ খন চৰকাৰী ৰেচম পাম আছে। বিধানসভাত আজি হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে, বৰ্তমান চৰকাৰী খণ্ডৰ সাধাৰণ এলেকাৰ ভিতৰত ২০৩ খন আৰু বিটিচি, কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ এলেকাত ১৩৬ খন ৰেচম পাম। ইয়াৰে ১২১ খন হৈছে এড়ি পাম, ৮৬ খন মুগা পাম, ১২৭ খন পাট-পলু পাম আৰু ৫ খন টছৰ পাম আছে। ৰাজ্যৰ ৫৩৬ দশমিক ১-৫ হেক্টৰ অব্যৱহৃত মাটিত পলুৰ খাদ্য বৃক্ষ ৰোপণৰ বাবে বিভিন্ন বিভাগৰ সৈতে ৰেচম বিভাগে আঁচনি ৰূপায়ণৰ পৰিকল্পনা কৰিছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুগা সূতাৰ চাহিদা অনুযায়ী উৎপাদন বৃদ্ধিৰ বাবে বৰ্তমান লখিমপুৰ আৰু কামৰূপ জিলাত ৰেচম সমগ্ৰ প্ৰকল্পৰ অধীনত আঁচনি ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। প্ৰতুকূল বতৰ তথা গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে মুগা উৎপাদনত যথেষ্ট প্ৰভাব পৰিছে বুলি উল্লেখ কৰি শ্ৰী ব্ৰহ্মাই কয়, যে কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ তত্বাৱধানত অসম তথা উত্তৰপূৰ্বাঞ্চলৰ মুগা পলুৰ উপযোগী পৰিৱেশ থকা ঠাই বাচনিৰ বাবে এখন সমিতি গঠন কৰা হৈছে।

০০০

২০২৪ বৰ্ষৰ বাবে সাহিত্য একাডেমী অনুবাদ বঁটা আজি ঘোষণা কৰা হৈছে। অসমীয়া, বড়ো ভাষাৰ গ্ৰন্থকে ধৰি মুঠ ২১ খন অনুদিত গ্ৰন্থলৈ এই বঁটা আগবঢ়োৱা হৈছে। সংস্কৃত আৰু নেপালী ভাষাৰ বঁটা পৰৱৰ্তী সময়ত ঘোষণা কৰা হ’ব বুলি সমিতিয়ে জানিবলৈ দিছে। প্ৰাচীন কামৰূপৰ ইতিহাস শীৰ্ষক অনুদিত গ্ৰন্থৰ বাবে লেখক অনুবাদক অঞ্জন শৰ্মালৈ অসমীয়া ভাষাত এই বঁটা আগবঢ়োৱা হৈছে। হোমেন বৰগোহাঞিৰ সাউদৰ পুতেকে নাও

মেলি যায়, শীৰ্ষক গ্ৰন্থখন অনুবাদ কৰি বাসুদেৱ দাসে বাংলা ভাষাত এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ কাঞ্চন নামৰ উপন্যাসখনৰ অনুবাদৰ বাবে উত্তৰা বিছমুথিয়াৰীলৈ বড়ো ভাষাত এই বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীৰ অনুবাদ বঁটাত আছে নগদ ৫০ হাজাৰ টকা আৰু এখনকৈ তাম্ৰ ফলক।

০০০

হাজোৰ মাধৱ মন্দিৰৰ বিষ্ণু পুষ্কৰ সৰোবৰত বিলুপ্তিপ্ৰায় দুষ্প্ৰাপ্য কাছৰ কৃত্ৰিমভাৱে বংশবৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰণৱ মালাকৰ নামৰ এজন লোকৰ প্ৰচেষ্টাই কিদৰে সফলতা লাভ কৰিছে সেই বিষয়ে আমাৰ কামৰূপ জিলাৰ নতুনকৈ নিযুক্তি লাভ কৰা সংবাদদাতা কৌশিক দাসে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে। আমাৰ সহযোগী তন্বিতা ভৰদ্বাজে আগবঢ়াইছে এই প্ৰতিবেদন—

*(বাইট)*

০০০

বজালীৰ ঐতিহ্যমণ্ডিত ভৱানীপুৰ সত্ৰই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ সন্মানীয় গোপাল আতা বঁটা আগবঢ়াইছে। আজি এখন সংবাদমেলযোগে এই কথা সদৰি কৰি সত্ৰ পৰিচালনা সমিতিয়ে কয়, যে ৰাজ্যৰ সত্ৰ-নামঘৰসমূহক মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰদান কৰা গুৰুত্বৰ বাবেই তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে যোগাযোগ কৰা হৈছে বুলিও সমিতিয়ে প্ৰকাশ কৰে। সমাগত দৌল উৎসৱৰ সময়ছোৱাত অহা ১৪ বা ১৫ মাৰ্চত মুখ্যমন্ত্ৰী ড° শৰ্মাই সত্ৰলৈ আহি নিজ হাতে এই বঁটা গ্ৰহণ কৰিব বুলি সত্ৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে।

০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০

ঃঃ সমাপ্ত ঃঃ